# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2025
**Time :** 1205 Hrs.

## *Assamese Mid-day Bulletin*
## HEADLINES

১। পশ্চিম গুৱাহাটীৰ বৰাগাঁৱত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ শ্বহীদক শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ।
২। নামৰূপ সাৰ কাৰখানাত আজি প্ৰধানমন্ত্ৰীৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী।
৩। চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত ভাৰত আৰু ভূটানৰ বাণিজ্য, সাংস্কৃতিক পৰ্যটন সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা।
৪। একত্ৰিকৰণৰ পাছত খালী হৈ থকা বিদ্যালয়সমূহৰ ভূমি সম্পত্তি আৰু আন্তঃগাঁথনিৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰৰ কঠোৰ নীতি-নিৰ্দেশনা জাৰি।

*আৰু*

৫। তিনিচুকীয়াত আজিৰে পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সৰচ মেলা।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগতে গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। শিক্ষাৰ্থীসকলে সোধা বিভিন্ন প্ৰশ্নৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ দিয়ে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে। ছহিদ বেদীত পুষ্পাঞ্জলি প্ৰদান কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

এই কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাৰ প্ৰতিবেদন

*-বাইট-*

প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীৰ কাৰ্যসূচী সামৰি নামৰূপলৈ ৰাওণা হৈছে। তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বিশ্বমানৰ এই প্ৰকল্পৰ উৎপাদন ক্ষমতা বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এমনিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে ২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত লাভান্বিত কৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পত

অইল ইণ্ডিয়া লিমিটেডৰ পৰা প্ৰাকৃতিক গেছৰ যোগান ধৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীৰ মূল বজাৰসমূহ শক্তিশালী কৰি তোলা হ'ব। ইউৰিয়া প্ৰকল্প ৰূপায়ণৰ ফলত ভাৰতৰ ইউৰিয়া আমদানি হ্ৰাস পোৱাৰ লগতে অসম আৰু উত্তৰ-পূৱৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণ হ'ব। এই প্ৰকল্পৰ আসে-পাশে অৰ্থনৈতিক কাম-কাজ বৃদ্ধি হোৱাৰ ফলত তিনি শতাধিক প্ৰত্যক্ষ আৰু সহস্ৰাধিক পৰোক্ষ নিয়োগ সৃষ্টি হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশ ল'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ সজাই তোলা হৈছে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত অসমৰ লুইতপৰীয়া ৰাইজক অসমীয়া ভাষাৰে সম্ভাষণ জনাই প্ৰধানমন্ত্ৰীয়ে ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৱৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। লগতে তেওঁ শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো টাৰ্মিনেল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে ২০৩২ চনৰ ভিতৰত দ্বিতীয়টো টাৰ্মিনেল নিৰ্মাণৰ কথা বিবেচনা কৰিছে যদিও ৰাজ্যখনৰ প্ৰগতিৰ স্বাৰ্থত ২০২৮ চনৰ ভিতৰতো এই টাৰ্মিনেল নিৰ্মাণ হ'ব পাৰে বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। প্ৰধানমন্ত্ৰীয়ে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা এটা ৰোড শ্ব'ত অংশ লোৱাৰ পিছত গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০

চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত কালি সন্ধিয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উদ্যোগত ভাৰত আৰু ভূটানৰ বাণিজ্য তথা সাংস্কৃতিক পৰ্যটন সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত ডনাৰ মন্ত্ৰালয়ৰ যুটীয়া সচিব অংশুমান দে', বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বি. এল. আহুজা, বি টি চিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম আৰু ধীৰাজ বৰগয়াৰীৰ লগতে পৰ্যটন বিভাগৰ কেইবাজনো বিষয়া উপস্থিত আছিল। ভাৰত আৰু ভূটানৰ সীমান্তৱৰ্তী অঞ্চলৰ পৰ্যটনৰ লগতে বিভিন্ন দিশত উন্নত মানৰ কৰ্মসংস্থাপন সৃষ্টি কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি এই আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত ভূটানৰ পৰ্যটন আৰু ভাৰত-ভূটান মৈত্ৰী সংস্থাৰ বিষয়ববীয়া দাৱা পেঞ্জৰে ভূটানৰ দলটোক নেতৃত্ব দিয়ে।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত দক্ষিণ শালমৰা মানকাচৰ জিলাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎগ্ৰহণ কৰিব আমাৰ দক্ষিণ

শালমৰা মানকাচৰ জিলাৰ সংবাদদাতা জেচমিনাৰা পাৰবিনে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

ৰাজ্য চৰকাৰে একত্ৰিকৰণৰ পাছত খালী হৈ থকা বিদ্যালয়সমূহৰ ভূমি সম্পত্তি আৰু আন্তঃগাঁথনিৰ সুৰক্ষা আৰু উচিত ব্যৱহাৰৰ বাবে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। প্ৰাথমিক শিক্ষা বিভাগৰ সঞ্চালকে একত্ৰিকৰণ আৰু প্ৰাদেশিকীকৰণৰ পাছত খালী হৈ থকা বিদ্যালয়ৰ ভূমি আৰু ভৱনসমূহৰ সুৰক্ষাৰ বাবে চৰকাৰে ইতিমধ্যে জাৰি কৰা নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ জিলা প্ৰাথমিক শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। এই নীতি-নিৰ্দেশনা অনুযায়ী একত্ৰিকৰণ আৰু স্থানান্তৰনৰ বাবে কোনো এখন বিদ্যালয় বন্ধ কৰি দিলে বিদ্যালয়খনৰ ভূমি বিদ্যালয় ব্যৱস্থাপনা সমিতি বা শিক্ষা বিভাগে ত্যাগ কৰা বুলি গণ্য কৰা হ'ব। জিলা আয়ুক্তই এনে ভূমি কোনো চৰকাৰী বিভাগ বা সংস্থাক আৱণ্টন দিব পাৰিব। এনে ভূমি কোনো বেচৰকাৰী সংস্থা বা ব্যক্তিগত প্ৰতিষ্ঠানক আৱণ্টনৰ প্ৰস্তাৱ দিবলগীয়া হ'লে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আগতীয়া অনুমোদন বাধ্যতামূলক হ'ব। প্ৰতিখন জিলাতে একত্ৰিকৰণৰ পাছৰে পৰা অব্যৱহৃত হৈ থকা বিদ্যালয়ৰ ভূমিসমূহৰ তদাৰক বাবে এখন জিলা পৰ্যায়ৰ সমিতি গঠন কৰা হ'ব। জিলা আয়ুক্ত এই সমিতিৰ অধ্যক্ষ আৰু বিদ্যালয় পৰিদৰ্শকসকল সদস্য সচিব হ'ব।

000000

তিনিচুকীয়া জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সৰচ মেলা আজিৰে পৰা অনুষ্ঠিত হৈছে। অহা ৩০ ডিচেম্বৰলৈ হ'বলগীয়া এই মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

0000000

লখিমপুৰ নগৰৰ পৰা কুকুৰ নিখোজ হোৱাৰ ঘটনা সন্দৰ্ভত উত্তৰ লখিমপুৰ সদৰ থানাত চাৰিগৰাকী পশু প্ৰেমীয়ে এজাহাৰ দাখিল কৰাৰ লগতে সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালক এখন স্মাৰক পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে লখিমপুৰৰ খেলমাটি, কলেজ চাৰিআলি, ক'ৰ্ট তিনিআলি, চি ডি ৰোড আদিকে ধৰি বিভিন্ন অঞ্চলৰ পৰা শতাধিক কুকুৰ নিখোজ হৈছে। জিলাখনৰ পৰা এই কুকুৰ নিখোজৰ ঘটনা সন্দৰ্ভত আশ্চৰ্য প্ৰকাশ কৰি মন্ত্ৰী পালে জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিক এই সন্দৰ্ভত তদন্ত কৰাৰ নিৰ্দেশ দিয়ে।

00000000

অসমৰ থলুৱা নাগী হাঁহ আৰু ৰাজহাঁহৰ ৰাজদীঘেলী প্ৰজাতিয়ে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অধীনৰ ৰাষ্ট্ৰীয় জীৱ-জন্তু জীনিয় সমল ব্যুৰ'ৰ স্বীকৃতি লাভ কৰিছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ডং গালীব উজ জামানৰ নেতৃত্বত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰকল্পৰ অধীনত চলোৱা প্ৰায় ২৫ বছৰীয়া গৱেষণাৰ অন্তত প্ৰধানকৈ বৰাক উপত্যকাত পোৱা নাগী হাঁহে এই স্বীকৃতি লাভ কৰিছে। পৰম্পৰাগতভাৱে কাছাৰ আৰু শ্ৰীভূমি জিলাত পোৱা এই হাঁহবিধে বছৰি প্ৰায় ডেৰশটা কণী পাৰে। ইপিনে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ

বিজ্ঞানী আৰু অসম পশু আৰু মৎস্য বিদ্যালয় কৰ্তৃপক্ষই চলোৱা গৱেষণাৰ ভিত্তিত ৰাজহাঁহৰ ৰাজদীঘেলী প্ৰজাতিটোৱে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

oooooo

বাক্সা জিলাৰ ডুমুনীত কালি মুখ্যমন্ত্ৰীৰ চাহ জনগোষ্ঠী আৰু আদিবাসী ফুটবল টুৰ্ণামেণ্ট অনুষ্ঠিত হয়। বাক্সা আৰু মানাহ বিধানসভা সমষ্টিৰ মাজত ১৭ বছৰ অনূৰ্ধ এই প্ৰতিযোগিতাত বিটিচিৰ কাৰ্যবাহী সদস্য আগষ্টুচ তিগ্গা আৰু জিলা আয়ুক্ত গৌতম দাসে উদ্বোধন কৰে। যুৱ প্ৰজন্মক খেলৰ সৈতে জড়িত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰোৱাৰ উদ্দেশ্যে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। জিলা আয়ুক্ত গৌতম দাসে গ্ৰামাঞ্চলত খেলৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে চৰকাৰে লোৱা এই পদক্ষেপক প্ৰশংসা কৰে। বিটিচিৰ কাৰ্যবাহী সদস্য আগষ্টুচ তিগ্গাই সকলো পৰ্যায়ৰ খেলুৱৈক আগবঢ়াই নিবলৈ তেওঁ বদ্ধপৰিকৰ বুলি মন্তব্য কৰে।

oooooooo

**সমাপ্ত**